## হেম বৰুৱাৰ ভ্ৰমণ সাহিত্যৰ ব্যাখ্যা, ‘সাগৰ দেখিছা’ পাঠ আৰু ‘মমতাৰ চিঠি’ আবৃত্তি

# হেম বৰুৱা সম্পাদিত পছোৱা উন্মোচন




‘পছোৱা’ উন্মোচন কৰিছে সভাৰ সভাপতি, মুখ্য অতিথি প্ৰদীপ বৰুৱাই।
একেবাৰে বাওঁপিনে ‘পছোৱা’ সংকলনটিৰ সম্পাদক ড° পৰমানন্দ মজুমদাৰ

অসম সাহিত্য সভাৰ প্ৰকাশন উপ-সমিতিৰ উদ্যোগত যোৱা শতিকাৰ পঞ্চাশ দশকত প্ৰকাশিত সভাৰ প্ৰাক্তন সভাপতি তথা প্ৰসিদ্ধ কবি হেম বৰুৱাৰ দ্বাৰা সম্পাদিত ‘পছোৱা’ আলোচনীৰ সমূহ সংখ্যাৰ ছপা কৰি উলিওৱা সংকলনটি যোৱা ১৯ ডিচেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ ৰাধাগোবিন্দ বৰুৱা সভাকক্ষত আনুষ্ঠানিকভাৱে উন্মোচন কৰে ‘প্ৰান্তিক’ আলোচনীৰ মাননীয় সম্পাদক প্ৰদীপ বৰুৱাই। সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে অসমীয়া সাহিত্যৰ প্ৰতিষ্ঠিত গৱেষক-সমালোচক তথা ‘পছোৱা’ সংকলনটিৰ সম্পাদক ড° পৰমানন্দ মজুমদাৰ।

১৯৪৮ চনত প্ৰকাশ আৰম্ভ হোৱা ‘পছোৱা’ত অসমীয়া সাহিত্যৰ আধুনিক ধাৰাটোৱে অতি সতেজ ৰূপ পাইছিল আৰু ইয়াৰ গুৰিতে আছিল সম্পাদক হেম বৰুৱা। ‘পছোৱা’ই এচাম নতুন কবিক আধুনিক চিন্তা আৰু মননৰে বিকশিত কৰাই নহয়, প্ৰগতিবাদী চিন্তাৰ এখন মুক্ত ক্ষেত্ৰ গঢ়ি তুলিছিল। সেইদৰে গল্পৰ ক্ষেত্ৰতো ‘পছোৱা’ত আত্মপ্ৰকাশ কৰা বহুকেইগৰাকী সেই সময়ৰ তৰুণ অসমীয়া গল্পকাৰে পিছলৈ কৃতি গল্প লিখক আৰু ঔপন্যাসিকৰূপে স্বীকৃতি অৰ্জন কৰিছিল।

অনুষ্ঠানত গ্ৰন্থ উন্মোচনৰ উপৰি নতুন প্ৰজন্মৰ তিনিগৰাকী প্ৰতিভাশীল যুৱক-যুৱতীৰ দ্বাৰা তিনিটা বিশেষ কাৰ্যসূচী পৰিৱেশিত হয়। এইকেইটা হ’ল— কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ হৃষীকেশ গোস্বামীৰ ভ্ৰমণ সাহিত্য সম্বন্ধে চমু ভাষণ, সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী অনন্যা শইকীয়াৰ হেম বৰুৱাৰ ভ্ৰমণ কাহিনী ‘সাগৰ দেখিছা’ৰ একাংশ পাঠ আৰু অভিনেত্ৰী আইচেংফা বৰুৱাৰ ‘মমতাৰ চিঠি’ কবিতাৰ আবৃত্তি। অনুষ্ঠানটিৰ আঁত ধৰে কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ ত্ৰিদিব ভাগৱতীয়ে। লগতে অনুষ্ঠানত উত্তৰ আমেৰিকা অসম সন্থাৰ সমন্বয়ক জোনালী বৰুৱা পাংগিঙে ড° কুলধৰ শইকীয়াক সন্থাৰ তৰফৰ পৰা আজীৱন সভ্যৰ সন্মানেৰে সন্মানিত কৰে। অনুষ্ঠানত শান্তিকাম হাজৰিকা, অখিলৰঞ্জন দত্ত, অনুভৱ তুলসী, অৰুনীমোহন চহৰীয়াকে আদি কৰি ভালেমান বিশিষ্ট ব্যক্তি আৰু সংবাদ মাধ্যমৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

০০০০